**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-04-2026
**Time :** 18-45 Hrs

**ASSAMESE EVEN BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। গোগামুখ আৰু বিহালীত জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰ্বাচনী প্ৰচাৰ।

২। বিৰোধী মিত্ৰজোঁটৰ হৈ নাজিৰা, খোৱাং আৰু টিংখাঙত কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীৰ প্ৰচাৰ।

৩। ছিংগাপুৰৰ কোৰোনাৰ্ছ আদালতৰ ৰায়ে জুবিন গাৰ্গৰ মৃত্যু গোচৰৰ বিচাৰ প্ৰক্ৰিয়াত কোনো প্ৰভাৱ নেপেলায় বুলি মহাধিবক্তা দেৱজিৎ শইকীয়াৰ প্ৰকাশ।

৪। অসম, কেৰালাম আৰু পুডুচেৰীত নিয়োজিত কেন্দ্ৰীয় পৰ্যবেক্ষকৰ সৈতে নিৰ্বাচন আয়োগৰ বৈঠক।
*আৰু*

৫। লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্‌ দেলহি কেপিটেলছ্‌ৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

বিধানসভা নিৰ্বাচনলৈ মাজত মাথো ৭টা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। শাসক-বিৰোধী উভয়ে তাৰকা প্ৰচাৰকক লৈ ভোটদাতাসকলক আকৰ্ষণ কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলাইছে। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দুখন নিৰ্বাচনী সভাত ভাগ লয়।

ধেমাজিৰ গোগামুখত প্ৰথমখন নিৰ্বাচনী সভাত দিয়া ভাষণত শ্ৰীমোদীয়ে কয় যে বিজেপিৰ বাবে দুখীয়া আৰু মধ্যবিত্ত শ্ৰেণীৰ কল্যাণ অগ্ৰাধিকাৰৰ বিষয়। তেওঁ কয় যে দলটোৱে সৰ্বাত্মক উন্নয়নৰ লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যে আন্তঃগাঁথনি, শিক্ষা আৰু স্বাস্থ্য সেৱাত নিৰন্তৰ গুৰুত্ব আৰোপ কৰি আহিছে। তেওঁ কয় যে, অসমত বিগত ১০ বছৰত এন ডি এৰ শাসনকালত যথেষ্ট উন্নয়ন হৈছে। বিজেপিৰ দ্বৈত ইঞ্জিনযুক্ত চৰকাৰে ৰাজ্যখনলৈ স্থায়ী শান্তি ঘূৰাই অনাত সহায় কৰিছে আৰু ভালেসংখ্যক যুৱক-যুৱতীয়ে হিংসাৰ পথ পৰিহাৰ কৰি নিৰাপদ ভৱিষ্যতৰ দিশে অগ্ৰসৰ হৈছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। অসম সমগ্ৰ বিশ্বত চাহৰ বাবে জনাজাত বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, মৰিগাঁৱৰ ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ কাম সম্পূৰ্ণ হৈ উঠাৰ লগে লগে ৰাজ্যখনে ছেমিকণ্ডাক্টৰ চিপৰ বাবেও স্বীকৃতি লাভ কৰিব।

**বাইট (পি এম)**

বিশ্বনাথৰ বিহালীত দ্বিতীয়খন নিৰ্বাচনী সভাত অংশ লৈ শ্ৰীমোদীয়ে কয় যে বিজেপিয়ে আত্মনিৰ্ভৰ অসম গঢ়াৰ পৰিকল্পনাৰে কাম কৰি আছে। তেওঁ কয়, যে দলে ৰাজ্যখনৰ বান আৰু খহনীয়া সমস্যা নিয়ন্ত্ৰণৰ বাবে

১৮ হাজাৰ কোটি টকা ব্যয় কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। কংগ্ৰেছে থলুৱা লোকৰ ভূমিত অবৈধ অনুপ্ৰৱেশকাৰীক বসতি স্থাপনৰ অনুমতি প্ৰদান কৰা বুলি অভিযোগ তুলি শ্ৰীমোদীয়ে কয় যে তেওঁৰ চৰকাৰে অসমক অবৈধ প্ৰব্ৰজন মুক্ত আৰু থলুৱা সম্প্ৰদায়সমূহৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে কাম কৰি যাব। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰীগৰাকীয়ে পুৱাৰ ভাগত ডিব্ৰুগড়ত একাংশ চাহ শ্ৰমিকৰ সৈতে মত বিনিময় কৰে।

প্ৰধানমন্ত্ৰী মোদী ৬ এপ্ৰিলত মৰাণ, বৰপেটাৰোড আৰু লামডিঙত প্ৰচাৰ চলোৱাৰ বাবে পুনৰ অসমলৈ আহিব। কাইলৈ বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ অসমলৈ আহিব। পৰহিলৈ শ্ৰীশ্বাহে গোলকগঞ্জ, দুধন�ৈ আৰু বকো-ছয়গাঁৱত মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব।

কংগ্ৰেছৰ নেত্ৰী প্ৰিয়ংকা গান্ধী দেৱব্ৰত শইকীয়া, লুৰীণজ্যোতি গগৈ আৰু বিপুল গগৈৰ হৈ নাজিৰা, খোৱাং আৰু টিংখাঙত প্ৰচাৰ চলায়। নিৰ্বাচনী প্ৰচাৰত কংগ্ৰেছ নেত্ৰীগৰাকী শাসনাধিষ্ঠিত বিজেপি চৰকাৰক কঠোৰ সমালোচনা কৰে। বিজেপি চৰকাৰৰ দিনত সাধাৰণ লোকৰ আৰ্থিক অৱস্থা আৰু সুৰক্ষা সুস্থিৰ নহয় বুলি ভাষণত নেত্ৰীগৰাকীয়ে উল্লেখ কৰে। সাধাৰণ লোকৰ স্বাস্থ্য বীমাৰ ক্ষেত্ৰতো কংগ্ৰেছে চৰকাৰে বিশেষ গুৰুত্ব দিব বুলি তেওঁ ভাষণ প্ৰসংগত প্ৰকাশ কৰে।

**বাইট (প্ৰিয়ংকা গান্ধী)**

কংগ্ৰেছ দলৰ নেতা ৰাহুল গান্ধীয়ে কাইলৈ বোকাজান আৰু টীয়কত প্ৰচাৰ চলাব।

জ্যেষ্ঠ বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি  টংলা বিধানসভা সমষ্টিৰ টংলা উচ্চতৰ মাধ্যমিক খেলপথাৰত বিজয় সংকল্প সভাত অংশ লয়। তেওঁ লগতে গোৰেশ্বৰ বিধানসভা সমষ্টিৰ শুক্লাই ষ্টেডিয়াম আৰু টিহু বিধানসভা সমষ্টিৰ বেলশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত খেলপথাৰত বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰে। হাজো-শুৱালকুছি বিধানসভা সমষ্টিৰ শংকৰদেৱ শিশু নিকেতনৰ খেলপথাৰত বিজয় সংকল্প সভা আৰু ৰঙিয়া বিধানসভা সমষ্টিৰ ৰঙিয়া জিলা ক্ৰীড়া সন্থাৰ ষ্টেডিয়ামৰ পৰা ছেপ্টি চ'কলৈ উলিওৱা ৰোড শ্ব'ত ভাগ লয়।

যোৰহাটৰ টীয়ক সমষ্টিৰ এন ডি এ সমৰ্থিত প্ৰাৰ্থী বিকাশ শইকীয়াৰ হৈ আজি অগপ সভাপতি অতুল বৰা আৰু কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই নিৰ্বাচন প্ৰচাৰ চলায়। শিৱসাগৰৰ জয়সাগৰত অসম গণ পৰিষদৰ এখন গুৰুত্বপূৰ্ণ সংগঠনমূলক সভাত উপস্থিত থাকি অগপ সভাপতি অতুল বৰাই শিৱসাগৰত এন ডি এ সমৰ্থিত প্ৰাৰ্থী প্ৰদীপ হাজৰিকাৰ জয়লাভ নিশ্চিত বুলি দাবী কৰে।

অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি গৌৰৱ গগৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ, ৰাইজৰ দলৰ অখিল গগৈ, কামৰূপ মহানগৰ জিলাৰ দিছপুৰ সমষ্টিৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰকে ধৰি কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটৰ আন আন প্ৰাৰ্থী সকলেও ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাইছে। ধুবুৰী বিধানসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী উত্তম কুমাৰ প্ৰসাদে আজি ধুবুৰী চহৰত জনসম্পৰ্ক যাত্ৰা উলিয়ায়। দৰং জিলাৰ ছিপাঝাৰত আজি কংগ্ৰেছ প্ৰাৰ্থী বিনন্দ শইকীয়াই ঘৰে ঘৰে গৈ প্ৰচাৰ চলায়। সমষ্টিৰ নিৰ্ধাৰণৰ পাছত বৃহত্তৰ ছিপাঝাৰ অঞ্চলত এইবাৰ দলটোৱে আশা কৰা মতে ভোট লাভ কৰিব বুলি কংগ্ৰেছ প্ৰাৰ্থীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০০

ছিংগাপুৰৰ কোৰোনাৰ্ছ আদালতৰ ৰায়ে অসমত চলি থকা জুবিন গাৰ্গৰ মৃত্যু গোচৰৰ বিচাৰ প্ৰক্ৰিয়াত কোনো প্ৰভাৱ নেপেলাই বুলি ৰাজ্য চৰকাৰৰ মহাধিবক্তা দেৱজিৎ শইকীয়াই প্ৰকাশ কৰিছে। শ্ৰীশইকীয়াই আজি ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত উপস্থিত হৈ জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ শুনানি পৰ্যবেক্ষণ কৰে। ৰাজ্য চৰকাৰৰ প্ৰচিকিউচন সঞ্চালক মাখন ফুকনৰ সৈতে আদালতত উপস্থিত হৈ শ্ৰীশইকীয়াই যুক্তি পৰ্ব নিৰীক্ষণ কৰে। সাংবাদিকৰ আগত তেওঁ কয় যে গোচৰত যাতে কোনো বিংসগতি বা আসোৱাহ নৈ নাযায়, তাৰ বাবে পৰ্যায়ক্ৰমে এই প্ৰক্ৰিয়া নিৰীক্ষণ কৰা হৈছে। অসম চৰকাৰে নিযুক্তি দিয়া বিশেষ লোক অধিবক্তা জিয়াউল কামাৰৰ নেতৃত্বত দলটোৱে নিয়াৰিকৈ সকলো প্ৰক্ৰিয়া চলাই গৈছে বুলি তেওঁ কয়। জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত অসম আৰক্ষীয়ে নিজাকৈ গোচৰ ৰুজু কৰি আদালতত অভিযোগ নামা দাখিল কৰিছে আৰু এই গোচৰৰ সৈতে ছিংগাপুৰৰ গোচৰৰ কোনো সম্পৰ্ক নাই বুলি তেওঁ স্পষ্ট কৰি দিয়ে। অভিযুক্তৰ বিৰুদ্ধে গোচৰৰ ধাৰা আৰোপৰ ওপৰত উভয় পক্ষৰ যুক্তি সম্পূৰ্ণ হোৱাৰ পাছত সকলো কথা স্পষ্ট হ'ব বুলি তেওঁ উল্লেখ কৰে। তেওঁ উল্লেখযোগ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ সন্দৰ্ভত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত আজি তৃতীয় দিনাও অভিযুক্ত পক্ষই যুক্তি দাঙি ধৰে।

বাইট-দেৱজিৎ শইকীয়া

০০০০০

নিৰ্বাচন আয়োগে আজি বিধানসভা নিৰ্বাচনৰ পূৰ্বে অসম, কেৰালাম আৰু পুডুচেৰীত নিয়োজিত কেন্দ্ৰীয় পৰ্যবেক্ষকসকলৰ পৰ্যালোচনা বৈঠকৰ আয়োজন কৰে। অসম, কেৰালাম আৰু পুডুচেৰীৰ মুখ্য নিৰ্বাচনী বিষয়াসহ মুঠ ২৮২ গৰাকী পৰ্যবেক্ষকে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত আয়োগে পৰ্যবেক্ষকসকলক উৎসৱমুখৰ পৰিবেশত ভয়, হিংসা আৰু প্ৰলোভনমুক্ত নিকা নিৰ্বাচন অনুষ্ঠিত হোৱাটো সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। আয়োগে আদৰ্শ নিৰ্বাচনী আচৰণবিধি কঠোৰভাৱে পালন কৰা আৰু এই বিধি উলংঘাৰ অভিযোগৰ ক্ষেত্ৰত দ্ৰুত ব্যৱস্থা গ্ৰহণত গুৰুত্ব আৰোপ কৰে। পৰ্যবেক্ষকসকলক লগতে সকলো ভোটগ্ৰহণ কেন্দ্ৰতে মোবাইল ফোন জমা ৰখাৰ ব্যৱস্থাকে ধৰি ন্যূনতম সুবিধাৰ উপলব্ধতা সুনিশ্চিত কৰিবলৈ কোৱা হয়।

০০০০০

আসন্ন বিধানসভা নিৰ্বাচন সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে ব্যাপক প্ৰস্তুতি অব্যাহত ৰাখিছে। জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰি তেওঁলোকক ভোটদানৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ বাবে জিলা প্ৰশাসনে নিৰ্বাচনী শুভংকৰ আৰু প্ৰচাৰ বাক্য মুকলি, কুইজ, বাতৰি পঢ়া প্ৰতিযোগিতা আদিকে ধৰি বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। কাছাৰ আৰক্ষীয়ে ভোটা দাতাৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে আজি ফ্লেগ মাৰ্চ অনুষ্ঠিত কৰে। জেষ্ঠ্য আৰক্ষী অধীক্ষক সঞ্জীৱ শইকীয়াৰ নেতৃত্বত ঘোংগুৰ বাইপাছৰ পৰা মেনিপুৰলৈকে ফ্লেগ মাৰ্চ উলিওৱা হয়। অসম আৰক্ষীৰ জোৱানৰ উপৰি চি আৰ পি এফ আৰু বি এচ এফৰ জোৱান সকলে এই ফ্লেগ মাৰ্চত অংশ লয়।

যোৰহাট জিলা আয়ুক্ত জয় শিৱানীয়ে আজি কছাৰী ময়দান আৰু পুৰণি অসম ৰাজ্যিক পৰিবহন নিগমৰ কাৰ্য্যালয় পৰিৰ্দশন কৰি নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লয়। তেওঁ নিৰ্বাচনৰ সময়ত যান-বাহনৰ সু-ব্যৱস্থা আৰু

পৰিবহন কোষৰ দ্বাৰা চলাই থকা কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। জিলাখনৰ ডি চি বি বালিকা মহাবিদ্যালয়ত আজি মহিলা প্ৰিজাইদিং আৰু পলিং বিষয়াসকলৰ নিৰ্বাচনী প্ৰশিক্ষণ অনুষ্ঠিত হয়। এই প্ৰশিক্ষণকালত ই ভি এম আৰু ভি ভি পেটৰ ব্যৱহাৰিক কৌশল আৰু ভোটগ্ৰহণ কেন্দ্ৰ ব্যৱস্থাপনা সম্পৰ্কে অৱগত কৰোৱা হয়।

নিৰ্বাচনৰ বাবে ডিব্ৰুগড় জিলাতো প্ৰস্তুতি অব্যাহত আছে। জিলাখনত আজি ৩ হাজাৰ ২৩৬ গৰাকী প্ৰিজাইডিং বিষয়া আৰু প্ৰথম ভোটগ্ৰহণ বিষয়াৰ অংশগ্ৰহণেৰে ই ভি এম মকড্ৰিল সফলভাৱে সম্পন্ন হয়।

পশ্চিম কাৰ্বি আংলং জিলাত আজি নিৰ্বাচনী দায়িত্বত নিয়োজিত অৰ্ধসামৰিক বাহিনীৰ জোৱানসকলৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। বিধানসভা নিৰ্বাচনৰ সময়ত শান্তি -শৃংখলা ৰক্ষাত নিয়োজিত নিৰাপত্তা কৰ্মীসকলৰ শাৰিৰীক আৰু মানসিক সুস্থতা সুনিশ্চিত কৰাৰ বাবে এই শিবিৰৰ আয়োজন কৰা হয়। মৰিগাওঁ জিলাত প্ৰশাসনে ভোটদাতাসকলক ভোটদানৰ প্ৰতি আকৰ্ষিত কৰাৰ বাবে গীত, নাটক, কবিতা, নৃত্য, মুকাভিনয়কে ধৰি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে। ওদালগুৰি জিলাৰ ৪ টা বিধানসভা সমষ্টিত ই ভি এম আৰু ভি ভি পেটৰ কমিচনিং আৰম্ভ হৈছে। শোণিতপুৰত জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগ ভোটদাতাসকলৰ ঘৰে ঘৰে গৈ প্ৰশাসনে আজিৰে পৰা ভোটগ্ৰহণৰ ব্যৱস্থা কৰিছে। জিলাখনত এইবাৰ ২ হেজাৰ ১৫৪ গৰাকী ভোটদাতাই এই সুবিধা লাভ কৰিব বুলি প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০

নিৰ্বাচন আয়োগে বিধানসভা নিৰ্বাচনত ভোটদানৰ বাবে ভোটদাতাসকলে ভোটাৰ পৰিচয় পত্ৰৰ উপৰি অন্য ১২ বিধ নথি দেখুৱাই ভোটদান কৰিব পাৰিব বুলি প্ৰকাশ কৰিছে। ফটোযুক্ত পৰিচয় পত্ৰ নথকা ভোটদাতাসকলে এই ১২ বিধ নথিৰ যিকোনো এবিধ দেখুৱাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। এই নথিসমূহৰ ভিতৰত আছে আধাৰ কাৰ্ড, এম জি এনৰেগাৰ জবকাৰ্ড, ডাকঘৰৰ পাছবুক, আয়ুষ্মান ভাৰত, স্বাস্থ্য বীমা স্মাৰ্ট কাৰ্ড, গাড়ী চালকৰ অনুজ্ঞাপত্ৰ, পেনকাৰ্ড, পাৰপত্ৰ ইত্যাদি। ভোটদাতাগৰাকীৰ পৰিচয় সম্পৰ্কে নিশ্চিত তথ্য থাকিলে ফটোযুক্ত ভোটাৰ পৰিচয় পত্ৰত থকা বানান ভুল আদি উপেক্ষা কৰিবলৈ নিৰ্বাচন আয়োগে নিৰ্দেশ দিছে। ভোটাৰ পৰিচয় পত্ৰত থকা ফটোৰ বিসংগতিৰ বাবে ভোটদাতাগৰাকীৰ পৰিচয় সাব্যস্ত কৰাত সমস্যা হ'লে তেওঁ উল্লেখিত ১২ বিধ নথিৰ যিকোনো এবিধ দেখুৱাব লাগিব।

০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে একাদশ শ্ৰেণীৰ আধুনিক ভাৰতীয় ভাষা অসমীয়া বিষয়ৰ বাবে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ **লভিতা** নাটকখন প্ৰৱৰ্তনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। পূৰ্বৰ **কুশল কোঁৱৰৰ** পৰিৱৰ্তে **লভিতা** নাটকখন চলিত শৈক্ষিক বৰ্ষৰ পৰা প্ৰৱৰ্তন হ'ব বুলি বিদ্যালয় শিক্ষা পৰিষদে এখন অধিসূচনা জাৰি কৰিছে। অধিসূচনাখনত উল্লেখ কৰা অনুসৰি অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰা **লভিতা** নাটকখন অসম চৰকাৰৰ বিনামূলীয়া পাঠ্যপুথি আঁচনিৰ অধীনত অন্তৰ্ভুক্ত হ'ব। ইয়াৰ বিপৰীতে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ বাবে গ্ৰন্থখন আগশাৰীৰ গ্ৰন্থ বিপণীত উপলব্ধ হ'ব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ দেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

চত্তিশগড়ত অনুষ্ঠিত খেলো ইণ্ডিয়া জনজাতীয় ক্ৰীড়া মহোৎসৱত অসমে আৰু এটা পদক লাভ কৰিছে। এথলেটিক্সৰ মহিলাৰ হাই জাম্প শাখাত আজি কহিমা বসমুতাৰীয়ে ১ দশমিক ৪-৫ মিটাৰ জপিয়াই ৰূপৰ পদক অৰ্জন কৰে।

০০০০০

২০ বছৰ অনুৰ্ধ ছাফ ফুটবল প্ৰতিযোগিতাত আজি মালদ্বীপৰ মালেত হ'বলগীয়া চেমিফাইনেলত যোৱাবাৰৰ ছেম্পিয়ন ভাৰত-ভূটানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৯ বজাত আৰম্ভ হ'ব। ভাৰতে - পাকিস্তানক ৩-০ গলত পৰাস্ত কৰি আৰু বাংলাদেশৰ বিৰুদ্ধে ১-১ গলত ড্ৰ খেলি গ্ৰুপ বিৰ শীৰ্ষত থাকে। ভূটানে মালদ্বীপৰ বিৰুদ্ধে ড্ৰ খেলি আৰু শ্ৰীলংকাৰ বিৰুদ্ধে জয়লাভ কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ